# চৰকাৰী মাধ্যমৰ বিদ্যালয়ত সন্তানক পঢ়ুৱাবলৈ অভিভাৱকৰ লানি নিছিগা সোঁত

তেজপুৰ ঃ বিশেষ প্ৰতিনিধি, ১৯ মাৰ্চঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাঙৰ ছাতিৰ দৰে গঢ়ি উঠা বেচৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহে স্থানীয় মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহলৈ প্ৰত্যাহ্বান কঢ়িয়াই অনাৰ সময়তে তেজপুৰৰ এখন অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠানে আশাৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অনাগত দিনবোৰত ছাত্ৰ-ছাত্ৰীৰ অভাৱত চৰকাৰী মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ দুৱাৰ মাৰা আৰম্ভ হ'ব বুলি বৌদ্ধিক মহলে সময়ে সময়ে আশংকা প্ৰকাশ কৰি অহাৰ বিপৰীতে তেজপুৰ চহৰৰ মাজমজিয়াস্থিত জিলাভাৰ জুবিলী প্ৰাথমিক বিদ্যালয় নামৰ অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠানখনত সম্প্ৰতি বিপৰীত ছবি পৰিলক্ষিত হৈছে। নিজৰ সন্তানৰ নামভৰ্তিৰ উদ্দেশ্যে অভিভাৱকসকলে প্ৰ-পত্ৰৰ বাবে দীঘলীয়া শাৰী পতা দৃশ্য স্বাভাৱিকতে মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ সোণালী দিন পুনৰ ঘূৰি অহাৰ পথ প্ৰশস্ত হোৱাকে প্ৰতিপন্ন কৰি তুলিছে। উল্লেখযোগ্য যে তেজপুৰৰ বাৰগীয়াৰ নিবাসী বিশিষ্ট সমাজকৰ্মী মাণিক চন্দ্ৰ বৰাৰ নিজা বাসগৃহত আৰম্ভ কৰা এই বিদ্যালয়খনৰ বিশিষ্ট শিক্ষাবিদ তথা ৰাষ্ট্ৰপতিৰ বঁটাৰে সন্মানিত গান্ধীবাদী কৃতী শিক্ষক বেণুধৰ শইকীয়াৰ উদ্যোগত ১৯৩৭ চনৰ ১৫ আগষ্টত তদানীন্তন তেজপুৰ পৌৰসভাৰ সভাপতি আনন্দ চন্দ্ৰ আগৰৱালাৰ সহযোগত পৌৰসভাৰ ভূমিত প্ৰতিষ্ঠা লাভ কৰিছিল অসমীয়া মাধ্যমৰ এই বিদ্যালয়খনে। ৮৭ বছৰ অতিক্ৰম কৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে যদিও ক্ৰমান্বয়ে তেজপুৰীয়া অভিভাৱকসকলৰ মাজত নিজ সন্তানক পঢ়ুৱাবলৈ প্ৰবল আগ্ৰহী হোৱাত সম্প্ৰতি বিপাঙত পৰিছে বিদ্যালয় কৰ্তৃপক্ষ। উল্লেখযোগ্য যে ২৯গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ৮৩৫গৰাকী শিক্ষাৰ্থীক বৰ্তমানে পাঠদান কৰি অহা তথা তেজপুৰৰ বিদ্যায়তনিক ক্ষেত্ৰত বিশেষ কৃতিত্বৰ পৰিচয় দি অহা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত অহা এক এপ্ৰিলৰ পৰা আৰম্ভ হ'ব নতুন শিক্ষাবৰ্ষৰ পাঠদান প্ৰক্ৰিয়া। ইয়াকে লৈ যোৱা ১৭ মাৰ্চত বিদ্যালয়খনৰ ১৩০খন আসনৰ বিপৰীতে প্ৰ-পত্ৰ বিতৰণৰ সময়ত নামভৰ্তিৰ ইচ্ছুক চহৰখনৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ভাষিক আৰু ধৰ্মাৱলম্বী লোকৰ সন্তানসকলৰ বাবে লানি নিছিগা শাৰী পাতি আশাৰ বতৰা কঢ়িয়াই আনে। নিৰ্দিষ্ট সংখ্যক আসনৰ বিপৰীতে ১৮০ খন প্ৰ-পত্ৰ বিতৰণ কৰা হয় যদিও দুই শতাধিক অভিভাৱক বিমুখ হৈ ঘূৰি যাবলগীয়া হয়। সম্প্ৰতি বহু সংখ্যক অভিভাৱকে নিজৰ সন্তানক এই গৰিমামণ্ডিত শিক্ষানুষ্ঠানখনত পঢ়ুওৱাৰ উদ্দেশ্যে কাকুতি-মিনতি অব্যাহত ৰখা হেতু বিপাঙত পৰিছে বিদ্যালয় কৰ্তৃপক্ষ।